# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কালাপাহাৰৰ ৰাধা গোবিন্দ বৰুৱা পথ, ড° ভূপেন হাজৰিকা পথ আৰু মৰা ভৰলু নৈৰ ওপৰত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰে। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত ১৫ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পকেইটা নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়াম, কালাপাহাৰ, ফটাশিল, কলনী বজাৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী বিকল্প পথেৰে যাতায়াত কৰা যানবাহন আৰু যাত্ৰীৰ সুবিধা হ'ব। তদুপৰি বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত ক্ৰিকেট খেলৰ সময়ত হোৱা যান-জঁটৰ সমস্যা হ্ৰাস পোৱাৰ লগতে ষ্টেডিয়ামৰ প্ৰৱেশ দ্বাৰলৈ সংযোগ ব্যৱস্থা সু-শৃংখলিত হৈ উঠিব বুলিও আশা কৰা হৈছে।

আজিৰ উদ্বোধনী অনুষ্ঠানত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও উপস্থিত থাকে।

ooooo

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাই আজি ধেমাজিৰ চিচিবৰ গাওঁত অনুষ্ঠিত কংগ্ৰেছৰ মণ্ডল সন্মিলনত অংশগ্ৰহণ কৰি আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত দলীয় কৰ্মীৰ সৈতে মত বিনিময় কৰে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দি ঘোষণা হোৱাৰ পাছত কংগ্ৰেছ দল নিৰ্বাচনৰ বাবে সাজু হৈ থকা বুলি মন্তব্য কৰি ভূপেন বৰাই কয়, যে অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাত হ'বলগীয়া নিৰ্বাচনৰ বাবে মুঠ ৩৪ টা সমষ্টিৰ ভিতৰত বহুকেইটা সমষ্টিত ইতিমধ্যে প্ৰাৰ্থী সাজু হৈ আছে আৰু সোনকালেই আনবোৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী চূড়ান্ত হ'ব। ৰাভা হাচং পৰিষদৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী প্ৰণয় ৰাভাৰ নেতৃত্বত ইতিমধ্যে এখন কমিটি গঠন কৰা হৈছে বুলি মন্তব্য কৰি ভূপেন বৰাই লগতে কয়, যে পৰিষদীয় এলেকাত থকা কংগ্ৰেছ দলৰ ছগৰাকী বিধায়ক, এগৰাকী সাংসদ, জিলা আৰু ব্লক সমিতিসমূহে উক্ত নিৰ্বাচনত আশাপ্ৰদ সফলতা লাভ কৰিব। ইপিনে প্ৰথমবাৰৰ বাবে প্ৰদেশ কংগ্ৰেছে পঞ্চায়তৰ প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি প্ৰাৰ্থী নিৰ্বাচনৰ কৰ্তৃত্ব জিলা, খণ্ড আৰু মণ্ডল সমিতিসমূহক দিয়া বুলি ভূপেন বৰাই উল্লেখ কৰে।

ooooo

আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ সৈতে সংগতি ৰাখি মহিলা সৱলীকৰণ কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ সহযোগত ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ট্ৰেইনিং হলত আজি মহিলাৰ স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন সমস্যাৰ ওপৰত সজাগতামূলক কাৰ্যসূচীৰ লগতে মুখ, স্তন আৰু জৰায়ু মুখৰ কৰ্কট ৰোগৰ বিনামুলীয়া পৰীক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে মহিলাসকলক নিজৰ স্বাস্থ্যৰ প্ৰতি সদায় সচেতন হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগতে যিকোনো দুৰাৰোগ্যৰ পৰা হাত সাৰিবলৈ আৰু যিকোনো ৰোগৰ আগতীয়া চিনাক্তকৰণৰ বাবে চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্য পৰীক্ষা কৰিবলৈ আহ্বান জনায়। আজিৰ কাৰ্যসূচীত অসম চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ অধ্যাপিকা ডাঃ তুলিকা গোস্বামী মহন্ত মুখ্য বক্তা হিচাপে উপস্থিত থাকে। লগতে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ পৰামৰ্শদাতা ডাঃ তানমা মহন্ত আৰু জিলা স্বাস্থ্য বিভাগৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ কৃষ্ণা বৰাই

মহিলাসকলৰ স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন সমস্যাৰ লগতে মুখ, স্তন আৰু জৰায়ু মুখৰ কৰ্কট ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু চিকিৎসা সম্পৰ্কত বক্তব্য আগবঢ়ায়।

০০০০০

অসম চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানত এমট্ৰনলৈ ৰাজ্য চৰকাৰে আগবঢ়াই অহা পুঁজি যোগান ব্যৱস্থাটো সংস্কাৰ সাধন কৰিবলৈ চিন্তা-চৰ্চা কৰি থকা হৈছে। আজি ৰাজ্য বিধানসভাৰ প্ৰশ্নোত্তৰ কালত এমট্ৰনৰ অধ্যক্ষৰ পদত থকা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এই কথা প্ৰকাশ কৰে। অগপৰ বিধায়ক কলিতাই চলিত বিত্তিয় বৰ্ষত এমট্ৰনে অসম চৰকাৰৰ  বিভিন্ন বিভাগৰ পৰা ৯০ কোটি ৪০ লাখ ৭৮ হাজাৰ টকা পাবলৈ আছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত অসম গণ পৰিষদ দলকেই প্ৰতিনিধিত্ব কৰা মন্ত্ৰী কেশৱ মহন্তই কয়, যে বিভাগীয় তথ্য অনুসৰি অসম চৰকাৰে এমট্ৰনক ৮১ কোটি ৬২ লাখ টকাহে দিবলৈ আছে। এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে এমট্ৰনলৈ আগবঢ়াই অহা পুঁজিক ইকুইটিলৈ পৰিৱৰ্তন কৰিবলৈ প্ৰতিষ্ঠানটোলৈ যোৱা ২৩ অক্টোবৰত দিয়া পত্ৰৰ উত্তৰ লাভ কৰিলেই এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী জন ঔষধী দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। কামৰূপ জিলাৰ ৰামপুৰ ভাগৰতীপাৰাত থকা জন ঔষধী কেন্দ্ৰত এই দিৱস উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত ঔষধ পৰিদৰ্শক ড০ শ্যামল নাথ আৰু ভাস্কৰ জ্যোতি পাঠকে জনসাধাৰণক এই কেন্দ্ৰৰ পৰা সুলভ মূল্যত ঔষধ ক্ৰয় কৰিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি চৌকিডিঙিৰ জন ঔষধী কেন্দ্ৰত আয়োজিত কাৰ্যসূচীত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰে। ওডালগুৰি জিলাতো স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু পাণেৰী সমবায় সমিতিৰ সহযোগত জন ঔষধী দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী জন ঔষধী যোজনাৰ অধীনত সমগ্ৰ দেশতে ১৫ হেজাৰৰো অধিক জন ঔষধী কেন্দ্ৰই দৈনিক এক নিযুত লোকক সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰসমূহত গুণগত মানৰ ঔষধ, অস্ত্ৰোপচাৰৰ সামগ্ৰী, চেনিটেৰী নেপকিন আদি সুলভ মূল্যত ক্ৰয় কৰিব পাৰি।

০০০০০০

সমাপ্ত